# ধূপধৰাৰ বিকালী কলেজত ন-পুৰণি গীতৰ কৰ্মশালা

## জনপ্ৰিয় কণ্ঠশিল্পী জে পি দাসৰ অংশগ্ৰহণ

**নিয়মীয়া বাৰ্তা, ধূপধৰা, ২২ নৱেম্বৰ** ঃ গোৱালপাৰা জিলাৰ পূব প্ৰান্তৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ ধূপধৰাৰ বিকালী মহাবিদ্যালয়ত আজি ন-পুৰণি গীতৰ এদিনীয়া কৰ্মশালাৰ আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত কৰ্মশালাখন পুৱা দহ বজাত বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে বিশিষ্ট শিল্পী জে পি দাসে। সৰস্বতী বন্দনা পৰিৱেশন কৰে ১০ পৃষ্ঠাত



Continue reading.......

## ধূপধৰাৰ বিকালী কলেজত ন-পুৰণি গীতৰ কৰ্মশালা

মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰী নিকিতা খাখলাৰীয়ে। কৰ্মশালাৰ শুভাৰম্ভণী অনুষ্ঠানৰ আঁত ধৰে বিকালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ গগৈয়ে। শুভাৰম্ভণী অনুষ্ঠানত অতিথি ৰূপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক প্ৰবীণ কুমাৰ দাস, বিকালী মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ৰাধাচৰণ ৰাভাৰ লগতে মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকাসকলে অংশগ্ৰহণ কৰে। কৰ্মশালাত সমল ব্যক্তি হিচাপে উপস্থিত থাকি অসমৰ জনপ্ৰিয় শিল্পী জে পি দাসে তেওঁৰ জনপ্ৰিয় গীত 'মোৰ দেশৰ মাটিৰ গান, মোৰ কলিজাৰ গান...', 'আৰু নুসুধিবা মোক জোনৰ জোনাক কিয় ভাল পাওঁ....' আদি গান ছাত্ৰ-ছাত্ৰীসকলক গাবলৈ শিকায়। তেওঁক সহযোগ কৰে দুধনৈ মহাবিদ্যালয়ৰ অধ্যাপক তথা অনাতাঁৰ শিল্পী হৰগোবিন্দ ডেকা আৰু প্ৰণৱ বীৰ দাসে। কৰ্মশালাত মহাবিদ্যালয়খনৰ প্ৰায় সত্তৰগৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। কৰ্মশালাৰ সামৰণিত ছাত্ৰ-ছাত্ৰীসকলক অংশগ্ৰহণৰ প্ৰমাণ-পত্ৰ দিয়া হয়। বিকালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ গগৈৰ এনে সৃজনীমূলক চিন্তাধাৰাক শলাগ লয় বিশিষ্ট শিল্পী জে পি দাসে।